দেশ

মেধাৱী শিক্ষার্থীক লাখ লাখ টকাৰ সাহায্য বিটিচি চৰকাৰৰ

বীৰ শ্বহীদ সুজিত নার্জাৰী মেৰিট স্কলাৰশ্বিপৰ অধীনত ২০২৬ বর্ষৰ HSLC আৰু HSSLCৰ মেধাৱী শিক্ষার্থীক ৩ লাখ আৰু ৫ লাখ টকাকৈ আর্থিক সাহায্য প্রদান বিটিচি চৰকাৰৰ।

প্রকাশ: ১২ নৱেম্বৰ ২০২৬, দুপৰীয়া ৩:৩৮



BTC Award Merit Scholarship (social media)

কোকৰাঝাৰ, ১২ নৱেম্বৰ, ২০২৬:

মেধাৱী শিক্ষার্থীক উৎসাহিত কৰাৰ লক্ষ্যৰে বীৰ শ্বহীদ সুজিত নার্জাৰী মেৰিট স্কলাৰশ্বিপৰ অধীনত আর্থিক সাহায্য প্রদান কৰিলে বিটিচি চৰকাৰে। ২০২৬ বর্ষৰ HSLC আৰু HSSLC পৰীক্ষাত অসাধাৰণ ফলাফল প্রদর্শন কৰা শিক্ষার্থীসকলক এই সাহায্য প্রদান কৰা হয়।

কোকৰাঝাৰৰ চান্দামাৰীৰ কালচাৰেল কমপ্লেক্সত অনুষ্ঠিত অনুষ্ঠানত HSLC পৰীক্ষাৰ শীর্ষ ১০ গৰাকী শিক্ষার্থী, HSSLCৰ কলা, বিজ্ঞান আৰু বাণিজ্য শাখাৰ প্রতিটোৰে শীর্ষ ১০ গৰাকী শিক্ষার্থী আৰু HSLCত বড়ো, অসমীয়া তথা নেপালী বিষয়ত ১০০ নম্বৰ লাভ কৰা শিক্ষার্থীসকলক সামৰি লোৱা হয়।

আঁচনিখনৰ অধীনত HSLCৰ শিক্ষার্থীসকলক ৩ লাখ টকাকৈ আৰু HSSLCৰ শিক্ষার্থীসকলক ৫ লাখ টকাকৈ চেক প্রদান কৰা হয়।এই আঁচনিৰ অধীনত HSLC পৰীক্ষাত সর্বাধিক নম্বৰ লাভ কৰা শীর্ষ ১০ গৰাকী শিক্ষার্থী, HSSLC পৰীক্ষাৰ কলা, বিজ্ঞান আৰু বাণিজ্য শাখাৰ প্রতিটোৰে শীর্ষ ১০ গৰাকী শিক্ষার্থী আৰু HSLC পৰীক্ষাত

বড়ো, অসমীয়া আৰু নেপালী বিষয়ত ১০০ নম্বৰ লাভ কৰা শিক্ষার্থীসকলক সামৰি লোৱা হৈছে HSLC ৰ ছাত্র-ছাত্রীক তিনি লাখ আৰু HS ৰ ছাত্র-ছাত্রীক পাচঁ লাখকৈ টকাৰ চেক প্রদান কৰে। মেধাৱী শিক্ষার্থীসকলক আর্থিক সাহায্য প্রদানৰ জৰিয়তে তেওঁলোকৰ শৈক্ষিক যাত্রাক অধিক উৎসাহিত কৰাৰ লগতে ভৱিষ্যতে অধিক কৃতিত্ব অর্জনৰ বাবে অনুপ্রেৰণা যোগোৱাই এই পদক্ষেপৰ মূল লক্ষ্য।

এইবাৰ কেৱল চৰকাৰী বিদ্যালয়ৰ শিক্ষার্থীসকলক আঁচনিখনৰ অধীনত সামৰি লোৱা হৈছে। পৰৱর্তী সময়ত বেচৰকাৰী বিদ্যালয়ৰ শিক্ষার্থীসকলকো অন্তর্ভুক্ত কৰাৰ পৰিকল্পনা থকা বুলি জানিবলৈ দিয়া হৈছে।

অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকে বিটিচি প্রধান হাগ্রামা মহিলাৰী। লগতে বিটিচিৰ কার্যবাহী সদস্য ৰবিৰাম নার্জাৰী, কর্মেশ্বৰ ৰায়, দেৰহাসাৎ বসুমতাৰী, প্রকাশ বসুমতাৰীৰ লগতে কেইবাগৰাকীও এমচিএলএ উপস্থিত থাকে।

এই কার্যসূচীয়ে বিটিচি অঞ্চলৰ ছাত্র-ছাত্রীসকলৰ মাজত শিক্ষাৰ প্রতি আগ্রহ আৰু প্রতিযোগিতামূলক মনোভাৱ বৃদ্ধি কৰিব বুলি আশা কৰা হৈছে।

এই খবৰটো NewzNow-ত প্রথমে প্রকাশ হৈছিল। সম্পূর্ণ খবৰ, ভিডিঅ' আৰু আপডেটৰ বাবে চাওক:
newznow.in/news/2381/btc-sujit-narzary-merit-scholarship-2026-students